অধ্যায় ১২ ঃ সুকবি নাৰায়ণদেৱ — *পদ্মা-পুৰাণ* - ১

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য

12.2 পৰিচয়

12.3 সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতি

12.4 *পদ্মা-পুৰাণ*

12.4.1 সাধাৰণ আলোচনা

12.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

12.6 অধিক জানিবলৈ

12.7 অগ্রগতিৰ খতিয়ান

12.8 আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতি সম্পর্কে অৱগত হ'ব
- সুকবি নাৰায়ণদেৱ ৰচিত *পদ্মা-পুৰাণ*ৰ বিষয়বস্তু তথা উপস্থাপন পদ্ধতি সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- দেৱী মাহাত্ম্য প্রকাশক গ্রন্থ হিচাপে *পদ্মা-পুৰাণ*ৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱ বা বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ জীৱন আৰু কৃতি, *ভক্তি-বিবেক* পুথিখনৰ বিষয়বস্তু তথা ধর্মতত্ত্ব আৰু *ভক্তি-বিবেক* পুথিখনৰ দ্বিতীয় অধ্যায় — 'গুৰু-শিষ্য নির্ণয়'ৰ সম্পূর্ণ পাঠ আৰু চতুর্থ অধ্যায় 'নাম মাহাত্ম্য'ৰ প্রথম 48 টা শ্লোক বিশেষভাৱে অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতিৰ বিষয়ে বহলাই অধ্যয়ন কৰিব।

আপুনি এতিয়ালৈকে যি কেইটা সাহিত্য পাঠ অধ্যয়ন কৰিলে সেই গোটেই কেইটা বৈষ্ণৱ ভক্তি সাহিত্যৰ অন্তর্ভুক্ত। এইখন পাঠবিষয়ৰ প্রথমটো অধ্যায়তে আপুনি অসমত প্রচলিত — শাক্ত আৰু শৈৱধর্মৰ বিষয়ে কিছু কথা অধ্যয়ন কৰি আহিছে। এতিয়া এইটো অধ্যায়ৰ লগতে ইয়াৰ পৰৱর্তী অধ্যায়ত আমি শাক্ত ধর্মৰ অন্তর্গত সাহিত্য পাঠৰ অধ্যয়ন কৰিম। এইটো অধ্যায়ত *পদ্মা-পুৰাণ*ৰ ৰচয়িতা সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতিৰ লগতে পুথিখনৰ বিষয়বস্তু,

উপস্থাপন পদ্ধতি তথা দেৱী মাহাত্ম্য প্ৰকাশক গ্ৰন্থ হিচাপে এইখন পুথি অধ্যয়ন কৰিম। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি অসমৰ শাক্ত সাহিত্য সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব। পৰৱৰ্তী অধ্যায়ত *পদ্মা-পুৰাণ*ৰ নিৰ্বাচিত কিছু অংশ বহলাই অধ্যয়ন কৰা যাব।

১২.৩ সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতি

মধ্যযুগৰ অসমীয়া সাহিত্যৰ এক মূল্যৱান অংশ বা অংগ হিচাপে ওজাপালি সাহিত্যৰ নাম ল'ব পাৰি। এই সমস্ত ৰচনাৰাজীক পাঁচালী সাহিত্য বুলিও কোৱা যায়। বিষয়বস্তু অনুসৰি পাঁচালী সাহিত্য তিনিটা শাখাত ভগাব পাৰি — মহাকাব্যীয় পাঁচালী, মনসা বা বিষহৰী বিষয়ক পাঁচালী আৰু বিবিধ বিষয়ক পাঁচালী। মহাকাব্যীয় পাঁচালীত *ৰামায়ণ, মহাভাৰত* তথা বিবিধ পু�ৰাণ আশ্ৰিত ওজাপালি সাহিত্য; মনসা বা বিষহৰী বিষয়ক পাঁচালীত মনসা দেৱী বা পদ্মাদেৱীৰ মাহাত্ম্য প্ৰকাশক ওজাপালি সাহিত্য অন্তৰ্ভুক্ত আৰু বাকী পাঁচালী সাহিত্যৰাজী বিবিধ বিষয়ৰ পাঁচালীৰ অন্তৰ্গত। এই তিনিওবিধ ওজাপালিৰে ৰচনা ৰীতি একে বুলিব পাৰি। এই বিষয়ে ইতিমধ্যে আপুনি সাহিত্যৰ বুৰঞ্জীৰ লগতে আন আন অধ্যায়টো অধ্যয়ন কৰি আহিছে।

মনসা দেৱীৰ গুণানুকীৰ্তন কৰা পাঁচালী সাহিত্যৰাজিকে মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য বোলা হয়। মনকৰ তথা দুৰ্গাবৰৰ *মনসা কাব্য*, সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ* আৰু ষষ্ঠীবৰৰ *মনসা পুৰাণ* এই শ্ৰেণীৰ পাঁচালী সাহিত্যৰ উদাহৰণ। মনসা শাখাৰ পাঁচালী গীতত সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসাক অৰ্চনা কৰা হয়। মনসাৰ বিশেষণ আৰু শক্তিলৈ লক্ষ্য ৰাখি এওঁৰ অভিব্যক্তিত আৰ্য-অনাৰ্য, বৈদিক-অবৈদিক, হিন্দু-বৌদ্ধ-জৈন আদি ধৰ্মীয় পৰম্পৰাৰ সংস্কৃতি আৰু বিশ্বাসৰ সংমিশ্ৰণ ঘটিছে বুলি ভাবিবৰ থল আছে। আমাৰ এইখন পাঠ্যবিষয়ত সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ৰ কিছু অংশ অন্তৰ্ভুক্ত কৰা হৈছে। সেয়ে তলত সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতিৰ লগতে অধ্যয়ন কৰিবলগীয়া গ্ৰন্থখনৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

সুকবি নাৰায়ণদেৱৰ জন্মস্থান সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায়। বিহাৰ আৰু বংগ দেশতো নাৰায়ণদেৱৰ প্ৰসংগ পোৱা যায়। কোনো কোনো বিদ্বানে নাৰায়ণদেৱৰ জন্ম মগধত বা বৰ্তমানৰ বিহাৰত বুলি মত দিব বিচাৰে। নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*খনি বাংলা ভাষাতো প্ৰচলন থকা বাবে তেওঁলোকৰ মতে নাৰায়ণদেৱ মৈমনসিং জিলাৰ বোৰাগ্ৰামৰ মানুহ আছিল। জাতিত তেওঁ কায়স্থ আৰু পিতৃৰ নাম আছিল নৰসিংহ। কিন্তু নাৰায়ণদেৱৰ কাব্যৰ জনপ্ৰিয়তা, ভাষা, ৰীতি-নীতি আদিলৈ লক্ষ্য কৰিলে তেওঁক নিঃসন্দেহে অসমৰ কবি বুলি ক'ব পাৰি। সুকবি নাৰায়ণদেৱৰ প্ৰসংগত সত্যেন্দ্ৰনাথ শৰ্মাৰ এটা মন্তব্য মন কৰিবলগীয়া — "কিন্তু নাৰায়ণদেৱৰ কাব্যৰ জনপ্ৰিয়তা, জনশ্ৰুতি, পুথিৰ ভাষা, স্থানৰ উল্লেখ, ৰীতি-নীতি আৰু আবিষ্কৃত পুথিৰ সংখ্যালৈ দৃষ্টি ৰাখি তেওঁক অসমৰ কবি বুলি নিঃসন্দেহে ক'ব পাৰি।" *পদ্মা-পুৰাণ*ৰ এগৰাকী সংকলক ভাৰতচন্দ্ৰ দাসৰ মতেও — "সুকবি নাৰায়ণদেৱে শুৱালকুছিৰ ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল আৰু উক্ত পৰিয়ালত এতিয়াও নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ* সংৰক্ষিত হৈ আছে।"

প্রসংগক্রমে কৈ থ'ব পাৰি যে বংগ দেশত আজি পর্যন্ত নাৰায়ণদেৱৰ এখনো পুথি উদ্ধাৰ হোৱা নাই আৰু ইয়াৰ জনপ্রিয়তাও অধিক নহয় অথবা অসমৰ জনপ্রিয়তাৰ সৈতে ইয়াৰ লক্ষণ বা বৈশিষ্ট্য তুলনা নহয়।

সুকবিৰ সময়ক লৈও অৱশ্যে সকলোৰে মাজত মতৰ ভিন্নতা আছে —কোনোৰ মতে ত্রয়োদশ, কোনোৰ মতে পঞ্চাদশ, কিছুমানে ষোড়শ শতিকা আকৌ অইন কিছুমানে সপ্তদশ — এনেকৈ এই বিষয়ত পণ্ডিতসকলে মত প্রকাশ কৰা দেখা যায়। দৰঙী লোকবিশ্বাস অনুসৰি নাৰায়ণদেৱ ধর্মনাৰায়ণ ৰজাৰ সময়ৰ লোক। ধর্মনাৰায়ণৰ সময়সীমা আছিল খ্রীষ্টাব্দ 1615 ৰ পৰা ১৬৩৭ লৈ। এই হিচাপে সুকবি নাৰায়ণদেৱক সপ্তদশ শতিকাৰ কবি আছিল বুলি ক'ব পাৰি। সত্যেন্দ্রনাথ শর্মাইও মত পোষণ কৰিছে যে তেওঁ সপ্তদশ শতিকাৰ আদিভাগৰ কবি আছিল।

নাৰায়ণদেৱৰ নামত প্রাপ্ত একমাত্র পুথি *পদ্মা-পুৰাণ*খনৰ কলেৱৰ বহু ডাঙৰ। জনসমাজত 'সুকনান্নী' নামেৰে প্রচলিত এই কাব্যখনক কবিয়ে কিন্তু 'পাঞ্চালী' বুলিহে আখ্যা দিছে। "সুকবি নাৰায়ণদেৱ নিগদতি" বাক্যৰ প্রতিটো শব্দৰ প্রথম অক্ষৰৰ সংযোগত 'সুকনান্নী' পদটো সিদ্ধ হোৱা দেখা গৈছে — সু (সু) ক (কবি) (না) নাৰায়ণ - নি (নিগদতি) — সুকনানি। শ্বাসাঘাতহেতু মধ্যস্বৰ 'অ' লোপ পোৱা বাবে সুকনান্নি বা সুকনান্নী হৈছে। *পদ্মা-পুৰাণ*ৰ ভণিতাত নাৰায়ণদেৱৰ বিভিন্ন নাম, যেনে— বিপ্র জানকীনাথ, বিপ্র ৰঘুনাথ আদিৰ উল্লেখ আছে। বহুতে এয়া ওজা পৰম্পৰাৰ এক বৈশিষ্ট্য বুলিও চিহ্নিত কৰিব বিচাৰে। হিন্দু-মুছলমান উভয় সম্প্রদায়ৰ মাজত নাৰায়ণদেৱৰ পুৰাণখন এসময়ত বৰ জনপ্রিয় আছিল। সেয়ে বিভিন্ন জন ওজাই নিজৰ ধৰণে বহু কথা সংযোগ কৰি এইদৰে ভণিতা পেলাব পাৰে বুলিও অনুমান কৰা হয়। এই পুৰাণখনৰ বহু বিৱৰণ প্রক্ষিপ্ত। সত্যেন্দ্রনাথ শর্মাই সেইবাবে মন্তব্য কৰিছে— "অতি প্রাচীন কালত সূতবিলাকে পুৰাণ কথা ব্যাখ্যা কৰোঁতে নিজস্ব কথা কিছুমান সুমুৱাই দি যেনেকৈ *মহাভাৰত, পুৰাণ* আদিৰ কলেৱৰ বৃদ্ধিত সহায় কৰিলে, তেনেকৈ ওজা পৰম্পৰাৰ হাতত সুকবি নাৰায়ণৰ *পদ্মা-পুৰাণে* বিস্তৃতি লাভ কৰে।"

বর্তমানলৈকে সম্পূর্ণ *পদ্মা-পুৰাণ*খন পাঠ সমীক্ষিত ৰূপত প্রকাশ হোৱা নাই। পুথিখনো পাবলৈ টান। ফলোৰাম দত্ত, প্রসন্ন চন্দ্র বৰুৱাই বিভিন্ন উপখণ্ডবোৰ ছপোৱাত কিছু যত্ন কৰিছিল। ১৯৬৪ চনত দৈৱচন্দ্র তালুকদাৰে *সুকনান্নী ঃ পদ্মাৱতী* নামেৰে নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ* সম্পাদনা কৰি উলিয়াইছিল যদিও সেইখন বর্তমান দুষ্প্রাপ্য তথা পাঠ পুনর্গঠন আৰু অধি সমীক্ষাৰ দিশত তালুকদাৰৰ কৃতিত্ব সাধাৰণ বিধৰ বুলি সমালোচকসকলে মন্তব্য কৰে। বিষয়বস্তু অনুসৰি*পদ্মা-পুৰাণ*ক 'উজনি খণ্ড' আৰু 'ভাটীয়ালী খণ্ড' — এই দুই ভাগত ভগাব পাৰি। 'ভাটীয়ালী খণ্ড'টি নবীন চন্দ্র শর্মাৰ দ্বাৰা সংকলিত তথা সম্পাদিত হৈ *সুকবি নাৰায়ণদেৱ বিৰচিত পদ্মা-পুৰাণ (ভাটীয়ালী খণ্ড)* নামেৰে প্রকাশ হৈছে। তাৰে পৰাই নির্বাচিত কিছু অংশ আমাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত কৰা হৈছে আৰু পুথিখন সম্পর্কে আমাৰ আলোচনাও সেইখন গ্রন্থক কেন্দ্র কৰিয়েই প্রস্তুত কৰা হ'ব।

এই আলোচনাৰ পৰা আমি স্পষ্টভাৱে গম পালোঁ যে পুৰণি অসমীয়া কবিসকলৰ

বেছিভাগৰে জীৱন আৰু কর্ম সম্পর্কে যেনেদৰে সঠিকভাৱে ক'ব নোৱাৰি বা তথ্য পোৱা নাযায়; ঠিক তেনেদৰে নাৰায়ণদেৱৰ জীৱন আৰু কৃতিও আলোছায়াময়। তথাপিতো ক'ব পাৰি যে মধ্য যুগৰ অসমীয়া সাহিত্যৰ ধাৰাটোত তেওঁৰ অৱদান উল্লেখনীয়। তলত এই গ্ৰন্থখনৰ বিষয়ে চমুকৈ আলোচনা কৰি দেৱী মাহাত্ম্য প্রকাশক গ্রন্থ হিচাপেও আলোচনা কৰা হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বাংলা সাহিত্যৰ ইতিহাসকাৰসকলে সুকবি নাৰায়ণদেৱ সম্পর্কে কি মত পোষণ কৰে।

.....

.....

প্রশ্ন নং ২ ঃ "সুকনান্নী" পদটো কেনেদৰে সিদ্ধ হৈছে?

.....

.....

১২.৪ *পদ্মা-পুৰাণ*

সুকবি নাৰায়ণদেৱে ৰচনা কৰা বৃহৎ কলেবৰৰ *পদ্মা-পুৰাণ* কাব্যখনি কামৰূপ, দৰং আৰু গোৱালপাৰা অঞ্চলত সর্বাধিক জনপ্রিয়। জনসমাজত এই কাব্য 'সুকনান্নী' নামে জনাজাত। এই গ্রন্থখনিত সৃষ্টিপাতন, পদ্মাৰ উৎপত্তি, সমুদ্রমন্থন, দক্ষযজ্ঞ, সতীৰ দেহত্যাগ, শিৱ-পার্ৱতীৰ বিবাহ, কার্ত্তিকৰ জন্ম, তাৰকাসুৰ বধ, বিষহৰীৰ বিবাহ, আস্তিকৰ জন্ম, ধনন্তৰি বধ, নেতাৰ জন্ম, বিষহৰী কণা হোৱাৰ কাৰণ, চন্দ্রধৰৰ বৰ লাভ, শংখ ওজাৰ কাহিনী, চান্দোৰ বণিজ যাত্রা, বাণিজ্য পথত নানা বিপর্যয়, লখিন্দৰৰ সর্পদংশনত মৃত্যু, বেউলাৰ অনির্দিষ্ট যাত্রা, লখিন্দৰৰ প্রাণলাভ, চন্দ্রধৰৰ পদ্মাপূজা আদি সৰু-বৰ অনেক ঘটনাৰ সমাৱেশ ঘটিছে। মূল কাহিনীৰ লগত উপ-কাহিনীবোৰ সংযোগ হোৱা বাবে কাব্যখনিৰ আকৃতি বৃহৎ হৈ পৰিছে। *পদ্মা-পুৰাণ*ত বিভিন্ন ৰসৰ সমাৱেশ ঘটিছে যদিও কৰুণ আৰু হাস্যৰসৰ প্রাধান্য বেছি। শৃংগাৰ ৰসৰ বর্ণনাত নাৰায়ণদেৱে বহু সময়ত অশ্লীল স্তৰলৈ গতি কৰিছে। পৰিস্থিতি বর্ণনাৰ ক্ষেত্রত সুকবিয়ে যথেষ্ট পাৰদর্শিতা দেখুৱাইছে। আনহাতে, পুৰণি অসমৰ সামাজিক আচাৰ-ব্যৱহাৰ, বেহা-বেপাৰ, সাজ-পাৰ, আ-অলংকাৰ, কুসংস্কাৰ-অন্ধবিশ্বাস আদিৰ বিস্তৃত বর্ণনা এই কাব্যখনিত প্রতিফলিত হৈছে। তলত কাব্যখনৰ কিছু দিশ সম্পর্কে বহলাই আলোচনা কৰা হ'ল।

১২.৪.১ সাধাৰণ আলোচনা

নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ৰ বিষয়বস্তুক সাধাৰণতে তলত দিয়া ধৰণে বিভাজন

কৰি দেখুৱাব পাৰি বুলি নবীনচন্দ্ৰ শৰ্মাই মত পোষণ কৰে—

(ক) উজনি খণ্ড

(খ) ভাটীয়ালী খণ্ড

—ইয়াৰে উজনি খণ্ডত সৃষ্টিপাতনৰ পৰা আৰম্ভ কৰি চন্দ্ৰধৰৰ কাহিনী, বেউলা- লখিন্দাৰৰ বিবাহ আৰু উভয়কে মেৰঘৰত থোৱালৈকে বিস্তৃত। আনহাতে ভাটীয়ালী খণ্ডত লখিন্দাৰক বধ কৰিবলৈ উপায় বিচাৰি নাপাই পদ্মাৱতীয়ে নেতাৰ গলত ধৰি কন্দাৰ পৰা আৰম্ভ কৰি, লখিন্দৰক দংশন, বেউলাৰ অনির্দিষ্ট যাত্ৰা আৰু পদ্মাৱতীয়ে তেওঁক জীয়াই তোলা তথা চন্দ্ৰধৰে মনসাক আনুষ্ঠানিকভাৱে পূজা দিয়া এই সকলোখিনিক সামৰা হৈছে। বৰ্তমান উজনি খণ্ডটো দুষ্প্ৰাপ্য।

আপুনি নিশ্চয় মন কৰিছে যে নাৰায়ণদেৱে ৰচনা কৰা গ্ৰন্থখনৰ নামকৰণত 'পুৰাণ' শব্দটো সংলগ্ন কৰা হৈছে। সাধাৰণতে ব্যাসদেৱৰ নামত প্ৰচলিত প্ৰাচীন আখ্যানযুক্ত পুথি বিশেষক পুৰাণ আখ্যা দিয়া হয়। পুৰাণ সমূহ মূলতঃ সংস্কৃত ভাষাত লিখা। সুকবি নাৰায়ণদেৱৰ মনসা-গীত খিনিও বিভিন্ন আখ্যান-কাহিনীলৈ নির্দেশ কৰে। এই হিচাপে এই মনসা গীত খিনিকো পুৰাণ আখ্যা দিয়াত আপত্তিৰ থল নাথাকে বুলি ভাবিব পাৰি। সত্যেন্দ্ৰনাথ শৰ্মাই গ্ৰন্থখনৰ ব্যাপকতালৈ লক্ষ্য কৰি মন্তব্য কৰিছিল— "নাৰায়ণদেৱৰ কাব্যৰ পৰিসৰ যথেষ্ট ব্যাপক আৰু বহল। সেই কাৰণেই ইয়াক পুৰাণ বোলা হয়।" অৱশ্যে, সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ৰ ভাষা সংস্কৃত নহয়, অসমীয়া। বিৰিঞ্চি কুমাৰ বৰুৱাইও এই ক্ষেত্ৰত সহমত পোষণ কৰিছে। এই দিশেৰে বিবেচনা কৰি ইয়াক 'ভাষা-পুৰাণ' বোলাটোও মন কৰিবলগীয়া।

এতিয়া প্ৰশ্ন হ'ব পাৰে 'পুৰাণ' বুলিলে আমি কোনবোৰ গ্ৰন্থক বুজিম বা ইয়াৰ লক্ষণ কি? ভাৰতীয় পৰম্পৰা অনুযায়ী পুৰাণৰ পাঁচটা লক্ষণ থাকিব লাগে —

সর্গশ্চ প্রতিসর্গশ্চ ৱংশো মন্বন্তৰাণি চ।

বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চ লক্ষণম্।।

অর্থাৎ সর্গ (জগৎ সৃষ্টি বা অনাদি পাতন); প্রতি সর্গ (ব্রহ্মাৰ সষ্টিৰ শেষত দক্ষ আদি প্রজাপতিৰ সৃষ্টি, কল্প সৃষ্টি); বংশ (দেৱতা, অসুৰ, পিতৃ, ঋষি-মুনি আৰু ৰজাসৱৰ বংশ চৰিত); মন্বন্তৰ (একোজন মানুহ ৰাজ্য শাসন কাল) আৰু বংশানুচৰিত (ৰাজ বংশৰ বিৱৰণ) — এই কেইটাই হৈছে পুৰাণৰ পাচোঁটা লক্ষণ। *ভাগৱত পুৰাণত*— সর্গ, বিসর্গ, বৃত্তি, ৰক্ষা, অন্তৰ, বংশ, বংশানুচৰিত, সংস্থা, হেতু আৰু অপাশ্রয় — এই দহটা লক্ষণ থাকিব লাগে বুলি কৈছে। সেয়ে পৰৱর্তী সময়ত মহাপুৰাণত পঞ্চ লক্ষণ আৰু উপ-পুৰাণত পঞ্চ লক্ষণ থাকিব লাগিব বুলি স্বীকাৰ কৰি লোৱা হৈছে।

নাৰায়ণদেৱৰ *পদ্মা-পুৰাণত* পুৰাণৰ পঞ্চলক্ষণ দৃষ্ট হয়নে নহয় এই সম্পর্কেও মত বিৰোধ থকা দেখা যায়। মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* লিখিছে "পুৰাণৰ পঞ্চ লক্ষণ নাথাকিলেও *পদ্মা-পুৰাণ* বিস্তৃতি আৰু বিষয়-বস্তুৰ ফালৰ পৰা

পুৰাণৰ প্ৰকৃতিৰ কাব্য গ্ৰন্থ।" নেওগৰ উক্তিৰ পৰা আলোচ্য *পদ্মা-পুৰাণ* পুৰাণৰ পঞ্চ লক্ষণ বিশিষ্ট নহয় বুলি ধৰিবলগীয়া। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তত* সত্যেন্দ্ৰনাথ শৰ্মাৰ বক্তব্য এনেকুৱা "যদিও পুৰাণৰ পঞ্চ লক্ষণ ইয়াত নাই, পুৰাণ ৰচনাৰ পদ্ধতিটো ইয়াত অনুসৰণ কৰিছে।"দেখা যায় সত্যেন্দ্ৰনাথ শৰ্মাইও নাৰায়ণদেৱৰ *পদ্মা-পুৰাণত* পুৰাণৰ পঞ্চ লক্ষণসমূহৰ অনুপস্থিতিৰ বিষয়তে মত প্ৰকাশ কৰিছে। অৱশ্যে, নবীন চন্দ্ৰ শৰ্মাই তেওঁৰ সম্পাদনাত প্ৰকাশ পোৱা *পদ্মা-পুৰাণৰ* ভাটীয়ালী খণ্ডত এই বিষয়ে আলোচনা কৰি এটি সুকীয়া মত আগবঢ়াইছে। তেওঁৰ মতে "সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত পুৰাণৰ অন্ততঃ পঞ্চ লক্ষণ যেনে — সৰ্গ ('পদ্মা-পুৰাণ'ত বৰ্ণিত সৃষ্টিৰ বৰ্ণনা); প্ৰতিসৰ্গ ('পদ্মা-পুৰাণ'ত বৰ্ণিত দক্ষাদি প্ৰজাপতিৰ সৃষ্টি); বংশ ('পদ্মা-পুৰাণ'ত বৰ্ণিত বিভিন্ন ৰজাৰ বংশানুচৰিত, যেনে — চন্দ্ৰধৰ, শাহেৰজা, বিভীষণ, কোটেশ্বৰ, শংকট সাধু, চন্দ্ৰকেতু আদি ৰজাৰ বংশ পৰিচয়); মন্বন্তৰ (পদ্মা-পুৰাণ'ত বৰ্ণিত মনুৰ ৰাজ্য শাসনৰ কাল); বংশানুচৰিত ('পদ্মা-পুৰাণ'ত বৰ্ণিত বিভিন্ন ৰাজবংশৰ বৰ্ণনা) আদি পোৱা যায়।" এই দিশৰ পৰা নাৰায়ণদেৱ বিৰচিত *পদ্মা-পুৰাণ* সম্পৰ্কে নবীন চন্দ্ৰ শৰ্মাই দাঙি ধৰা যুক্তি যথেষ্ট প্ৰনিধানযোগ্য।

উপৰ্যুক্ত আলোচনাৰ পৰা স্পষ্ট হয় যে, মহেশ্বৰ নেওগে ক'ব খোজে— নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ* এক কাব্য গ্ৰন্থ আৰু ইয়াত 'পুৰাণৰ প্ৰকৃতি' উপস্থিত। কাহিনী এটা আৰম্ভ কৰি তাৰ ওপৰত উপ-কাহিনী জাপি যোৱা ৰীতি পুৰাণসমূহত লক্ষ্য কৰা যায়। পুৰাণ ৰচনাৰ এই পদ্ধতি নাৰায়ণদেৱ বিৰচিত *পদ্মা-পুৰাণত* অনুসৃত হৈছে বুলি সত্যেন্দ্ৰনাথ শৰ্মাইও কৈছে। এতেকে মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মাৰ লগতে নবীন চন্দ্ৰ শৰ্মা— এই তিনিওগৰাকী পণ্ডিতৰ মতামত আদিৰ ওপৰত ভিত্তি কৰি সাধাৰণভাৱে ক'ব পৰা যায় যে নাৰায়ণদেৱ বিৰচিত *পদ্মা-পুৰাণক* পুৰাণ আখ্যা দিয়াত বাধা বিশেষ থাকিব নালাগে। ইয়াত পুৰাণৰ পঞ্চ লক্ষণ থকাটোও ধৰা পৰে। অৱশ্যে মহাপুৰাণৰ দহটা লক্ষণ ইয়াত পোৱা নাযায়।

সাহিত্যৰ আৰ্টফৰ্ম ৰূপে বিচাৰ কৰিলে *পদ্মা-পুৰাণক* মৌখিক-মহাকাব্য হিচাপে গণ্য কৰিব পাৰি। সাধাৰণতে, দীৰ্ঘ কলেৱৰ বিশিষ্ট কাহিনী গীতক মৌখিক কাব্য ৰূপে বিবেচনা কৰা হয়। *ৰামায়ণ* আৰু *মহাভাৰতক* ইয়াৰ উদাহৰণস্বৰূপে ল'ব পাৰি। মৌখিক পৰম্পৰা মতে *ৰামায়ণ* আৰু *মহাভাৰত* লোকসমাজত প্ৰচলিত হৈ থকাৰ পাছত বাল্মীকি আৰু ব্যাসদেৱে দুয়োখন বেলেগ বেলেগ সময়ত লিপিবদ্ধ কৰে। একেদৰে মনসা কথা বৃত্ত পৰম্পৰাও মৌখিক হিচাপে জনসমাজত পৰিব্যাপ্ত হৈ আছিল। তাকে সুকবি নাৰায়ণদেৱ প্ৰভৃতি লেখক-কবিয়ে লিখিত ৰূপ দিয়ে।

নাৰায়ণদেৱৰ *পদ্মা-পুৰাণৰ* ভাটীয়ালী খণ্ডৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ এনেদৰে ক'ব পাৰি যে, লখিন্দৰক সাপৰ হতুৱাই বধ কৰিবলৈ যত্ন কৰাৰ পৰা লখিন্দৰৰ স্বৰ্গগমন আৰু পুনৰজনম তথা শেষত চান্দো সদাগৰে বাওঁহাতেৰে মনসাক পুষ্প দিবলৈ বাধ্য

কৰোৱালৈকে কাহিনীভাগ বিস্তৃত। *পদ্মা-পুৰাণৰ* অন্যতম উদ্দেশ্য মনসা দেৱী বা পদ্মাৱতী দেৱীৰ মহাত্ম্য প্ৰকাশ কৰা। মনসা সৰ্পদেৱী সৰ্পপূজা বা (ophiolatry) ভাৰতবৰ্ষত বাদেও বিশ্বৰ বিভিন্ন ঠাইৰ সংস্কৃতিতো লক্ষ্য কৰা যায়। আদিম ধৰ্মীয় ধাৰণাৰ আধাৰত সৰ্পপূজা পৰম্পৰাৰ উদ্ভৱ তথা বিকাশ লক্ষণীয়। প্ৰথমে সৰ্পক সৰ্পৰ ৰূপতেই পূজা কৰা হৈছিল যদিও পৰৱৰ্তী কালত সৰ্পই দেৱ-দেৱীলৈ সমুন্নতি লাভ কৰে। এনে পৰিণতিৰ ফলতেই মনসা দেৱীৰো আবিৰ্ভাৱ বুলিব পাৰি। ভাৰতত অতি প্ৰাচীন কালৰে পৰাই সৰ্প আৰাধনা কৰাৰ নিদৰ্শন পোৱা যায়। সিন্ধু উপত্যকাৰ হৰপ্পা আৰু মহেঞ্জোদাৰোৰ নাম এই প্ৰসংগত উল্লেখ কৰিবলগীয়া। আনকি মহেঞ্জোদাৰোত পোৱা 'চীল', 'মাটিৰ পাত্ৰ' আদিৰ সংযোগত সাপ-পূজাৰ স্পষ্ট নিদৰ্শন বা চিহ্ন পোৱা গৈছে।

হিন্দু ধৰ্মৰ দেৱ-দেৱীৰ পৰম্পৰালৈ মন কৰিলে বুজিব পাৰি যে মনসা অৰ্বাচীন দেৱী। মহাদেৱ আৰু শিৱৰ অন্যতম ভক্ত চন্দ্ৰধৰ বা চান্দো সদাগৰৰ সৈতে মনসা দেৱীৰ বিবাদৰ মূল কাৰণ আছিল চান্দো সদাগৰৰ পৰা মনসা পূজা লাভৰ প্ৰযত্ন। অৰ্বাচীন দেৱী মনসাৰ এনে প্ৰচেষ্টাত অৱশ্যে বিশেষ আসোঁৱাহ ধৰিব নোৱাৰি। ভাৰতীয় দেৱ-দেৱীৰ শাৰীত তুলনামূলকভাৱে পৰৱৰ্তী সময়ত আগমন হোৱা পদ্মাৱতী বা মনসা দেৱীক অন্যান্য দেৱ-দেৱীৰ সমান স্থান দিবলৈকে *পদ্মা-পুৰাণৰ* সৃষ্টি বুলি ক'ব পাৰি। আমাৰ আলোচ্য পুথিখনৰ শেষত চন্দো সদাগৰে বাওঁহাতেৰে মনসা দেৱীক পুষ্পাৰ্ঘ নিৱেদন কৰে। ফলশ্ৰুতিত চান্দো সদাগৰৰ ছয় পুত্ৰ, ধন্বন্তৰি আৰু বণিজৰ চৈধ্যখন ডিঙা ঘূৰাই পাইছিল। এই কথাখিনিৰ মাজেৰে কাব্যখনত মনসা দেৱীৰ মাহাত্ম্য ফুটাই তোলাৰ লগতে মনসাক পূজা কৰিলে ধন-ঐশ্বৰ্য, পুত্ৰ-কন্যা সকলো লাভ কৰিব পাৰে সেয়া ব্যক্ত কৰা হৈছে। সেই বাবেই নাৰায়ণদেৱে লিখিছে—

পদ্মাক ভক্তি কৰে মনে আনন্দিতা।
ইহা সন্তে বৰ কোন আচয় দেৱতা।।

পদ্মা-পুৰাণখন মহাকাব্য বা পুৰাণৰ দৰে বিভিন্ন উপ-কাহিনীৰে ভৰপূৰ আৰু গোটেইখন গীতৰ সমষ্টি। গোটেই পুৰাণখনৰ গীতবোৰত প্ৰায়বোৰ দিহাৰ লগত বিভিন্ন ৰাগ-ৰাগিণী বান্ধি দিয়া হৈছে। এই পুৰাণখনত ব্যৱহৃত ৰাগ-ৰাগিণীবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল— শ্ৰী, ঝুলুনা, মল্লাৰ, ভৈৰৱী, পটমঞ্জৰী, ধনশ্ৰী, ভাঠিয়ালি, নাট, শ্ৰীবসন্ত, কৰুণা ভাটিয়ালী, কেদাৰ, পাহাৰী, কৰুণা, অহিৰ, ববাৰি, ৰামাগিৰি, পাসজ, চই (চয়), কৈবলু, তুড়বসন্ত, পয়াৰ আদি। উল্লেখযোগ্য যে এইখন পুৰাণত সন্নিৱিষ্ট প্ৰতিটো গীততেই পাঞ্চালী সংগীতৰ ৰীতি অনুসৰি দিহা সংযোজিত হৈছে। *পদ্মা-পুৰাণখন* মূলতঃ দেৱী মাহাত্ম্য প্ৰকাশৰ গ্ৰন্থ যদিও ইয়াত চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত কবিজনাই মনসাৰ উপৰি আন আন চৰিত্ৰ, যেনে— শিৱ মহাদেৱ, নাৰদ, চান্দো সদাগৰ, নেতা, সোণেকা, বেউলা আদি প্ৰতিটো চৰিত্ৰ চিত্ৰণত সমানে গুৰুত্ব দিছে। অৱশ্যে, ইয়াত চৰিত্ৰসমূহে বৈদিক বা পৌৰাণিক চৰিত্ৰৰ দৰে হৈ নাথাকি লৌকিক গ্ৰাম্য দেৱ-

দেৱতাৰ ৰূপ পৰিগ্ৰহ কৰিছে। নাৰায়ণদেৱে দেৱী-মাহাত্ম্য প্ৰকাশকে মূল লক্ষ্য হিচাপে লৈছে যদিও কবিৰ আদৰ্শ বৈষ্ণৱ কবিসকলৰ দৰে আদৰ্শ প্ৰধান নহয়, অধিক গুৰুত্ব লৌকিকতাহে। অসমৰ সমাজ জীৱনৰ বিভিন্ন চিত্ৰই সবলভাৱে ভুমুকি মাৰিছে এই কাব্যখনত।

কাব্যখনৰ ৰস বিচাৰ কৰিলে দেখা যায় যে ইয়াৰ মূল ৰস কৰুণ। এই ৰসৰ আনুষংগিকভাৱে শৃংগাৰ, হাস্য, বীৰ ৰসো উদ্ৰেগ ঘটিছে। মিলনৰ নিশা সৰ্পদংশনত লখিন্দৰৰ মৃত্যুৰ পাছত বেউলাৰ বিৰহ-বিননি, মাক সোনেকাৰ হিয়া বিদাৰক ক্ৰন্দনে কৰুণ ৰসৰ প্ৰকাশ ঘটিছে। বেউলা-লখিন্দৰৰ মিলনৰ মুহূৰ্তত শৃংগাৰ, মনসাৰ সৈতে চান্দোৰ সংঘাতত বীৰ ৰসৰ প্ৰকাশ ঘটিছে। এই কাব্যখনৰ অলংকাৰ প্ৰয়োগো মন কৰিবলগীয়া। লোকজীৱনৰ পৰা তুলি অনা বিবিধ অৰ্থালংকাৰ আৰু শব্দালংকাৰেৰে নাৰায়ণদেৱে কাব্যখন সজীৱ কৰি তুলিছে। উদাহৰণস্বৰূপে—

উপমা — নাচে বেউলা সুন্দৰী বদন প্ৰকাশি হাসে।
অৰুণ উদিত জেন কমল প্ৰকাশে।।

ৰূপক — কপালত দংশিম লখাইৰ দ্বিতীয়াৰ চান্দ।
দুই কৰ্ণ দংশিম লখাইৰ বৰগছৰ পান।।

এনেদৰে বিবিধ অলংকাৰৰ প্ৰয়োগৰ লগতে কাব্যখনত থকা চিত্ৰধৰ্মী বৰ্ণনা, জতুৰা-ঠাঁচৰ প্ৰয়োগ, ঘৰুৱা শব্দৰ সমাহাৰ তথা মৌলিক কল্পনাৰে কাব্যখন সমৃদ্ধ।



চিন্তা-চৰ্চা কৰক — ১২.১

অধিক জানিবলৈত থকা পুথিসমূহৰ সহায়েৰে *পদ্মা-পুৰাণ*ত নাৰায়ণদেৱে কেনেদৰে ৰসৰ সঞ্চাৰ ঘটাইছে সেই বিষয়ে বহলাই আলোচনা কৰিবলৈ যত্ন কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখা*ত *পদ্মা-পুৰাণ*ক পুৰাণ বুলি ক'ব পাৰিনে নোৱাৰি সেই বিষয়ে কৰা মন্তব্যটো উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ *পদ্মা-পুৰাণ*ত ব্যৱহৃত ৰাগ-ৰাগিণীবোৰৰ ভিতৰত উল্লেখযোগ্য 15 টাৰ নাম লিখক।

.....

.....



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মনসা দেৱীৰ গুণানুকীর্তন কৰা পাঁচালী সাহিত্যৰাজিকে মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য বোলা হয়। মনকৰ তথা দুর্গাবৰৰ *মনসা কাব্য*, সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ* আৰু ষষ্ঠীবৰৰ *মনসা পুৰাণ* এই শ্রেণীৰ পাঁচালী সাহিত্যৰ উদাহৰণ। মনসা শাখাৰ পাঁচালী গীতত সর্পৰ অধিষ্ঠাত্রী দেৱী মনসাক অর্চনা কৰা হয়। আমাৰ পাঠ্যবিষয়ত সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ৰ কিছু অংশ অন্তর্ভুক্ত কৰা হৈছে।
- সুকবি নাৰায়ণদেৱৰ জন্মস্থান সম্পর্কে বিভিন্ন মতবাদ পোৱা যায় যদিও তেওঁৰ অসমৰে কবি হিচাপে স্বীকৃতি দিয়া হৈছে। পুৰণি অসমীয়া কবিসকলৰ বেছিভাগৰে জীৱন আৰু কর্ম সম্পর্কে যেনেদৰে সঠিকভাৱে ক'ব নোৱাৰি বা তথ্য পোৱা নাযায়; ঠিক তেনেদৰে নাৰায়ণদেৱৰ জীৱন আৰু কৃতিও আলোছায়াময়। তথাপিতো ক'ব পাৰি যে মধ্য যুগৰ অসমীয়া সাহিত্যৰ ধাৰাটোত তেওঁৰ অৱদান উল্লেখনীয়। অধ্যায়টিত তেওঁ জীৱন আৰু কর্ম সম্পর্কে চমুকৈ আলোচনা কৰা হ'ল।
- নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ৰ বিষয়বস্তুক সাধাৰণতে উজনি খণ্ড আৰু ভাটীয়ালী খণ্ড — এই দুই ভাগত ভগাই আলোচনা কৰা হয়। ইয়াৰে উজনি খণ্ডত সৃষ্টিপাতনৰ পৰা আৰম্ভ কৰি চন্দ্রধৰৰ কাহিনী, বেউলা- লখিন্দৰৰ বিবাহ আৰু উভয়কে মেৰঘৰত থোৱালৈকে বিস্তৃত। আনহাতে ভাটীয়ালী খণ্ডত লখিন্দৰক বধ কৰিবলৈ উপায় বিচাৰি নাপাই পদ্মাৱতীয়ে নেতাৰ গলত ধৰি কন্দাৰ পৰা আৰম্ভ কৰি, লখিন্দৰক দংশন, বেউলাৰ অনির্দিষ্ট যাত্রা আৰু পদ্মাৱতীয়ে তেওঁক জীয়াই তোলা তথা চন্দ্রধৰে মনসাক আনুষ্ঠানিকভাৱে পূজা দিয়া এই সকলোখিনিক সামৰা হৈছে। অধ্যায়টিত এই পুথিখনক পুৰাণ আখ্যা দিব পাৰিনে নোৱাৰি, কাব্যখনৰ বিষয়বস্তু, উপস্থাপন পদ্ধতি আদিৰ বিষয়ে চমুকৈ আলোচনা কৰাৰ লগতে দেৱী মাহাত্ম্য প্রকাশক গ্রন্থ হিচাপে আলোচনা কৰা হ'ল।



১২.৬ অধিক জানিবলৈ

1) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।
2) নেওগ, মহেশ্বৰ [1995] Ê, *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি*; গুৱাহাটী ঃ নিউ বুক ষ্টল।
3) বৰদলৈ, নির্মলপ্রভা (১৯৯৩) ঃ *দেৱী;* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

4] বৰ্মন, শিৱনাথ (সম্পাঃ) (1997); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

5] ভট্টাচার্য, দেবেন্দ্রনাথ (1977); *অসমত শক্তি পূজা;* গুৱাহাটী ঃ বাণী প্রকাশ।

6] মজুমদাৰ, বিমল (2001] Ê, *পুৰাণৰ পৰিচয়;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

7) শর্মা, নবীন চন্দ্র (1993); *সুকবি নাৰায়ণদেৱ বিৰচিত পদ্মা-পুৰাণ;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

8) শর্মা, সত্যেন্দ্রনাথ (2006); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

9) শর্মাদলৈ, হৰিনাথ (১৯৮২) ঃ *শক্তি সাধনা আৰু শক্তি সাহিত্য;* ৰৰপেটা ঃ হৰিনাথ শর্মা দলৈ।

10] হাজৰিকা, পৰীক্ষিত (1995] Ê, *শ্রীশ্রীচণ্ডী;* গুৱাহাটী ঃ ডালিমী প্রকাশন।

১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বাংলা সাহিত্যৰ ইতিহাসকাৰসকলে সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*খনি বাংলা ভাষাতো প্রচলন থকা বাবে তেওঁক মৈমনসিং জিলাৰ বোৰাগ্রামৰ ব্যক্তি আছিল বুলি মত পোষণ কৰে। লগতে কয় যে জাতিত তেওঁ কায়স্থ আছিল আৰু পিতৃৰ নাম নৰসিংহ।

২ নং প্রশ্নৰ উত্তৰ ঃ "সুকবি নাৰায়ণদেৱ নিগদতি" বাক্যৰ প্রতিটো শব্দৰ প্রথম অক্ষৰৰ সংযোগত 'সুকন্যানী' পদটো সিদ্ধ হৈছে — সু (সু) ক (কবি) (না) নাৰায়ণ - নি (নিগদতি) — সুকনানি। শ্বাসাঘাতহেতু মধ্যস্বৰ 'অ' লোপ পোৱা বাবে সুকনান্নি বা সুকনান্নী হৈছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* লিখিছে "পুৰাণৰ পঞ্চ লক্ষণ নাথাকিলেও *পদ্মা-পুৰাণ* বিস্তৃতি আৰু বিষয়-বস্তুৰ ফালৰ পৰা পুৰাণৰ প্রকৃতিৰ কাব্য গ্রন্থ।"

৪ নং প্রশ্নৰ উত্তৰ ঃ *পদ্মা-পুৰাণত* ব্যৱহৃত ৰাগ-ৰাগিণীবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল— শ্রী, ঝুলুনা, মল্লাৰ, ভৈৰৱী, পটমঞ্জৰী, ধনশ্রী, ভাঠিয়ালি, নাট, শ্রীবসন্ত, কৰুণা ভাটিয়ালী, কেদাৰ, কৈবলু, তুড়বসন্ত, পয়াৰ আদি।



১২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক —

(ক) বিষহৰী বিষয়ক পাঁচালী সাহিত্য বুলিলে কি বুজে?

(খ) দৰঙী লোকবিশ্বাস অনুসৰি নাৰায়ণদেৱক কোনগৰাকী ৰজাৰ সময়ত স্থাপন কৰা হৈছে।

(গ) *পদ্মা-পুৰাণ*ত কোনগৰাকী দেৱীৰ উপাসনা কৰা হৈছে?

(ঘ) নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ৰ বিষয়বস্তুক কি কি ধৰণে বিভাজন কৰি আলোচনা কৰা হয়?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *পদ্মা-পুৰাণ*ক পুৰাণ বুলি ক'ব পাৰিনে? চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) *পদ্মা-পুৰাণ*ৰ বিষয়বস্তু (খ) সুকবি নাৰায়ণদেৱৰ সাহিত্যকৃতি

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতি সম্পৰ্কে বহলাই আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ *পদ্মা-পুৰাণ*ৰ ভাটীয়ালী খণ্ডটোৰ বিষয়বস্তু সম্পৰ্কে বহলাই আলোচনা কৰি তাত কেনেদৰে দেৱী মাহাত্ম্য প্ৰকাশিত হৈছে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ "*পদ্মা-পুৰাণ* কাব্যখনৰ ৰস বিচাৰ কৰিলে দেখা যায় যে ইয়াৰ মূল ৰস কৰুণ"— কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

*** ***** ***